
समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



দশম শ্ৰেণীৰ বাবে

ভূগোল

পাঠ - ১

অর্থনৈতিক ভূগোলঃ বিষয়বস্তু আৰু সম্পদ

অংশ – ৭ (প্ৰশ্ন-উত্তৰ)

শ্ৰাৱণী দেৱী

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(ক) সম্পদ আৰু সম্পত্তি

সম্পদ	সম্পত্তি
সকলো জীৱৰ কাম সম্পূৰ্ণ কৰিবলৈ প্ৰয়োজনীয় সম্পত্তি, ৰাজহ, যোগান বা অৱলম্বনৰ উৎস।	বিনিময় মূল্য বা দৰ থকা যিকোনো বস্তু।
কিছুমান সম্পদ যেনেঃবায়ু, সাগৰ, পানী, সূৰ্যৰ ৰশ্মি আদিৰ যোগান সীমাহীন।	সম্পত্তিৰ যোগান সীমিত।

সকলো সম্পদ বিনিময় কৰিব নোৱাৰি আৰু সকলোৰে দৰ/দায় নাথাকে।	টকাৰ মাধ্যমেৰে সম্পত্তিৰ বিনিময় বা হস্তান্তৰ কৰিব পাৰি।
মানুহৰ বাবে সদায় উপযোগী।	মানুহৰ বাবে উপকাৰী বা অপকাৰী দুয়োটাই হ'ব পাৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(খ) অর্থনৈতিক ভূগোল আৰু সম্পদ ভূগোল-

অর্থনৈতিক ভূগোল	সম্পদ ভূগোল
সম্পদৰ উৎপাদন, বিতৰণ, উপভোগ আৰু বিনিময়ৰ সৈতে জড়িত মানুহৰ কার্যকলাপৰ স্থান আৰু কাল সাপেক্ষে কৰা এই অধ্যয়ন মানুৱ ভূগোলৰ শাখা।	সম্পদৰ উৎপাদন, বিতৰণ আৰু উপভোগৰ সৈতে জড়িত অধ্যয়ন।
সম্পদ ভূগোলতকৈ অর্থনৈতিক ভূগোলৰ পৰিসৰ বহল। কাৰণ অর্থনৈতিক ভূগোলে কৃষি ভূগোল, ঔদ্যোগিক ভূগোল, পৰিবহণ ভূগোল, বজাৰ ভূগোল, সম্পদ ভূগোল আৰু পর্যটন ভূগোলক সাঙুৰি লয়।	সম্পদ ভূগোলৰ পৰিসৰ অর্থনৈতিক ভূগোলৰ পৰিসৰতকৈ ঠেক। কাৰণ সম্পদ ভূগোল অর্থনৈতিক ভূগোলৰ এটা অংশহে মাত্ৰ।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

(গ) সম্পদ আৰু নিষ্ক্ৰিয় সামগ্ৰী

সম্পদ	নিষ্ক্ৰিয় সামগ্ৰী
সকলো জীৱ আৰু পৰিস্থিতিতন্ত্ৰৰ কাৰ্যাৱলী সম্পন্ন কৰিবলৈ প্ৰয়োজনীয় সম্পত্তি, ৰাজহ, যোগান বা অৱলম্বনৰ উৎস। সম্পদবোৰ উপলব্ধতা আৰু ব্যৱহাৰ যোগ্যতা থাকিব লাগে।	মানুহৰ বাবে কোনোধৰণৰ উপকাৰ বা অপকাৰ সাধন নকৰা পৃথিৱীত উপলব্ধ সামগ্ৰী।
সম্পদবোৰ বৰ্তমান সময়ত ব্যৱহাৰযোগ্য।	নিষ্ক্ৰিয় সামগ্ৰীবোৰ ভৱিষ্যতে ব্যৱহাৰ হোৱাৰ সম্ভাৱনা থাকে।
বায়ু, পানী, মাটি, উদ্ভিদ, খনিজ পদাৰ্থ ইত্যাদি।	সাগৰৰ পানী, বিজুলী ঢেৰেকনী উৎপন্ন বিদ্যুৎ।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

(ঘ) জীৱীয় আৰু অজীৱীয় সম্পদ

জীৱীয় সম্পদ	অজীৱীয় সম্পদ
প্ৰকৃতিৰ জীৱ থকা সকলোবোৰ সম্পদ।	প্ৰকৃতিৰ জীৱ নথকা সকলোবোৰ সম্পদ।
গছ-গছনি, পশু-প্ৰাণী, মানুহ, মাছ, শস্য ইত্যাদি।	শিল, বালি, মাটি, খনিজ পদাৰ্থ ইত্যাদি।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(ঙ) নবীকৰণযোগ্য আৰু অনবীকৰণযোগ্য সম্পদ

নৱীকৰণযোগ্য সম্পদ	অৱীকৰণযোগ্য সম্পদ
ব্যৱহাৰৰ পিছত পুনৰুৎপাদন বা নৱীকৰণ কৰিব পাৰি।	ব্যৱহাৰৰ পিছত পুনৰুৎপাদন বা নৱীকৰণ কৰিব নোৱাৰি।
এই সম্পদবোৰ ব্যৱহাৰৰ পিছত নিঃশেষ হৈ নাযায় বা পুনৰুৎপাদন কৰিব পাৰি।	এই সম্পদবোৰ ক্ৰমশঃ নিঃশেষ হৈ যায় আৰু পুনৰুৎপাদন কৰিব নোৱাৰি।
বায়ু, সূর্যৰ ৰশ্মি, পানী, শস্য ইত্যাদি।	কয়লা, তেল, প্ৰাকৃতিক গেছ, বিভিন্ন খনিজ সম্পদ ইত্যাদি।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(চ) ব্যক্তিগত সম্পদ আৰু জাতীয় সম্পদ

ব্যক্তিগত সম্পদ	জাতীয় সম্পদ
এজন ব্যক্তিৰ দখলত বা অধিকাৰত থকা সম্পদ।	এখন দেশৰ দায়িত্বত বা দখলত থকা সম্পদ।
ভূমি, ঘৰুৱা সা-সম্পত্তি, অলংকাৰ, টকা-পইচা, আৰু ব্যক্তিগত গুণাৱলী যেনেঃ শিক্ষা, জ্ঞান, কৰ্ম দক্ষতা ইত্যাদি।	উদ্ভিদ, প্ৰাণী, বনাঞ্চল, পৰিবহণ ব্যৱস্থা, ভূমি, নদী, শিক্ষানুষ্ঠান প্ৰশাসনীয় ব্যৱস্থা ইত্যাদি।